দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তম বছৰ, সংখ্যা ১১১ ● দেওবাৰ ● ১২ পুহ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday December 28, 2025 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ



গুৱাহাটী ঃ ২৭ ডিচেম্বৰ ঃ ক্ৰীড়া সাংবাদিক কল্যাণ সন্থা, অসমৰ ত্ৰয়োদশ প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইণ্ডোৰ ষ্টেডিয়ামত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰীড়া বিষয়ক চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ক্ৰীড়া সংগঠক, ক্ৰীড়া ১১ পিঠিলৈ




## কানৈ মহাবিদ্যালয়ক এমট্ৰনৰ 'আই চি টি' কলেজৰ স্বীকৃতি

ডিব্ৰুগড ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৭ ডিচেম্বৰ ঃ অসম চৰকাৰৰ অধীনৰ একমাত্ৰ প্ৰযুক্তি প্ৰতিষ্ঠান অসম ইলেকট্ৰনিক্স উন্নয়ন নিগম পৰিসীমিত 'এমট্ৰনে' ডিব্ৰুগড় হনুমানবক্স ১১ পিঠিলৈ

## বাংলাদেশত ছমাহত হিন্দুৰ ধৰ্মীয় বিদ্বেষৰ ৭১টা আ

ঢাকা, ২৭ ডিচেম্বৰ ঃ
জুনৰ পৰা ডিচেম্বৰলৈ
বিৰুদ্ধে ধৰ্মদ্বেষৰ অ
কমেও ৭১টা ঘটনা স
ৰাইট্‌ছ কংগ্ৰেছ ফৰ
(এইচ আৰ চি বি এম)
প্ৰতিবেদনত এই কথা
দেশখনত সংখ্যালঘু
'অবিৰত শতুৰালি'ৰ
থকাৰ সময়তে এই ত

## দুলীয়াজানৰ জুটলিবাৰীত স্বাস্থ্যৱান শ্ৰমিক যোজনাৰ শুভাৰম্ভ

তিনিচুকীয়াৰ ষ্টাফ ৰিপৰ্টাৰ, দুলীয়াজানৰ এজন সংবাদদাতা, ২৭ ডিচেম্বৰ ঃ 'সন্তান প্ৰসৱৰ পাছত চাহ বাগিচা অঞ্চলত পুষ্টিহীনতাৰ বাবেই হওক বা আন কোনো কাৰণতে হওক এগৰাকীও ৮ পিঠিলৈ

